জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০০/২০২১

# অসম কন্যা লাভলিনা বৰগোহাঁইৰ বিজয় কামনাৰে নেহৰু ষ্টেডিয়ামত আয়োজিত বন্তি প্ৰজ্বলন কাৰ্যসূচীত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ০৩ আগষ্ট ঃ** অলিম্পিকৰ ১২৫ বছৰীয়া ইতিহাসত এগৰাকী অসমীয়া হিচাপে প্ৰথমটো পদক নিশ্চিত কৰি ৰাজ্যবাসীক গৌৰৱান্বিত কৰা অসম কন্যা লাভলিনা বৰগোহাঁয়ে কাইলৈ ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব। এই বিশেষ দিনটোৰ প্ৰাক্সন্ধ্যা খেলুৱৈগৰাকীক শুভেচ্ছা জনোৱাৰ লগতে তেওঁৰ বিজয় কামনাৰে নেহৰু ষ্টেডিয়ামত আয়োজিত এক বন্তি প্ৰজ্বলন কাৰ্যসূচীত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। লৌহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ প্ৰতিমূৰ্তিৰ সন্মুখত এগছি বন্তি প্ৰজ্বলনেৰে তেওঁ এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত উপস্থিত থকা খেলুৱৈসকলৰ সৈতেও বাৰ্তালাপ কৰে।

ইয়াৰ পিছতে সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে কাইলৈ পুৱা ১১ বজাত ছেমি ফাইনেলত অৱতীৰ্ণ হ'বলগীয়া অসম জীয়ৰী লাভলিনা বৰগোহাঁইৰ বিজয় কামনাৰে আজিৰ এই বিশেষ কাৰ্যসূচী হাতত লোৱা হৈছে। কাইলৈৰ এই বিশেষ দিনটোৰ পুৱা নিজগৃহত এগছিকৈ বন্তি প্ৰজ্বলনেৰে লাভলিনা বৰগোহাঁইৰ হৈ প্ৰাৰ্থনা জনাবলৈ তেওঁ অসমবাসী ৰাইজৰ প্ৰতি আহ্বান জনায়।

আজিৰ এই কাৰ্যসূচীত ক্ৰীড়া মন্ত্ৰী বিমল বৰা, জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল, ৰাজহ মন্ত্ৰী যোগেন মহন আৰু কেইবাগৰাকীও বিধায়কৰ লগতে অসম অলিম্পিক সন্থা তথা ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ বিষয়ববীয়াসকলকে ধৰি প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**০৩/০৮/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in